**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-08-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ ৰাষ্ট্ৰপতি ভৱনত অমৃত উদ্যানৰ গ্ৰীষ্মকালীন বাৰ্ষিক উৎসৱ উদ্বোধন কৰিব।

২। ভাৰত-ছিংগাপুৰ মন্ত্ৰী পৰ্যায়ৰ ঘূৰণীয়া মেজমেলৰ তৃতীয়লানি বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হয়।

৩। ৰাজস্থানৰ দ'ছা জিলাত সংঘটিত পথ দুৰ্ঘটনাত বহুকেইজন লোকে প্ৰাণ হেৰুওৱাক লৈ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

৪। দেশপ্ৰেমৰ ভাৱনাক জগাই তোলাৰ উদ্দেশ্যে দেশৰ বিভিন্ন প্ৰান্তত হৰ ঘৰ তিৰংগা অভিযান অব্যাহত আছে।

আৰু

৫। ভাৰতীয় অলিম্পিক সন্থাই কমনৱেল্থ গেমছ ২০৩০ৰ আয়োজনৰ বাবে ভাৰতৰ নিবিদাত আনুষ্ঠানিকভাৱে অনুমোদন জনাইছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ ৰাষ্ট্ৰপতি ভৱনত অমৃত উদ্যানৰ গ্ৰীষ্মকালীন বাৰ্ষিক উৎসৱ উদ্বোধন কৰিব। এই উদ্যান জনসাধাৰণৰ বাবে অহা ১৬ আগষ্টৰ পৰা ১৪ ছেপ্তেম্বৰলৈ খোলা থাকিব। জনসাধাৰণে দিনৰ ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ  অমৃত উদ্যান পৰিদৰ্শন কৰিব পাৰিব। ২৯ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে এথলীট আৰু ক্ৰীড়াবিদসকলক আৰু ৫ ছেপ্তেম্বৰত শিক্ষক দিৱস উপলক্ষে সকলো শিক্ষকক অমৃত উদ্যানত বিশেষ প্ৰবেশৰ সুবিধা দিয়া হ'ব। এই উদ্যানত শিশু বাটিকা, ঔষধী উদ্যান, বনচাই উদ্যান, দিঘলীয়া বাগিচা আৰু বৃত্তাকাৰ বাগিচা থাকিব। সকলোৱে বিনামূলীয়াকৈ অমৃত উদ্যানত প্ৰবেশ কৰিব পাৰিব। প্ৰতি সপ্তাহৰ সোমবাৰে মেৰামতিৰ বাবে উদ্যান বন্ধ থাকিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩১ আগষ্টত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২৫ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০-১১-৭৮০০ ট'ল ফ্ৰী নম্বৰ ফোন কৰি তেওঁলোকৰ দিহা-পৰামৰ্শসমূহ আগবঢ়াব পাৰিব। জনসাধাৰণে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাইগ'ভ মুকলি মঞ্চৰ জৰিয়তে ২৯ আগষ্টৰ ভিতৰত তেওঁলোকৰ দিহা-পৰামৰ্শসমূহ আগবঢ়াব পাৰিব। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ জৰিয়তে প্ৰচাৰিত হ'ব।

০০০০০

ভাৰত-ছিংগাপুৰ মন্ত্ৰী পৰ্যায়ৰ ঘূৰণীয়া মেজমেলৰ তৃতীয়লানি বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হয়। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে নেতৃত্ব দিয়া এই বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল তথা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ উপস্থিত থাকে। বৈঠকত

ছিংগাপুৰৰ প্ৰতিনিধিসকলক দেশখনৰ উপ-প্ৰধানমন্ত্ৰী তথা বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী গান কিম ইয়ঙে নেতৃত্ব দিয়ে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে ভাৰত-ছিংগাপুৰ ব্যাপক কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বাবে ধন্যবাদ জনায়। এই মন্ত্ৰী পৰ্যায়ৰ বৈঠকত ভাৰত-ছিংগাপুৰ ব্যৱসায় ঘূৰণীয়া মেজমেলৰ প্ৰতিনিধিসকলৰ সৈতে ফলপ্ৰসূ আলোচনা অনুষ্ঠিত হয় বুলি ড০ জয়শংকৰে প্ৰকাশ কৰে। ইপিনে, বিত্ত মন্ত্ৰালয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত উল্লেখ কৰে যে বিগত বৰ্ষত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ছিংগাপুৰ ভ্ৰমণৰ সময়তে দেশ দুখনৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক ব্যাপক কৌশলগত অংশীদাৰিত্বলৈ পৰিণত হ'ল আৰু এই বৈঠকৰ সময়ত মন্ত্ৰীসকলে এই কথাকে সোঁৱৰে। দুয়োখন দেশে ডিজিটেলাইজেশ্যন, দক্ষতা বিকাশ, বহনক্ষমতা, স্বাস্থ্য সেৱা আৰু ঔষধ, উন্নত উৎপাদন আৰু যোগাযোগকে ধৰি ভাৰত-ছিংগাপুৰ মন্ত্ৰী পৰ্যায়ৰ ঘূৰণীয়া মেজমেলত চিনাক্ত কৰা ছটা মূল স্তম্ভৰ বিষয়ত আলোচনা কৰে। উল্লেখযোগ্য যে মন্ত্ৰী পৰ্যায়ৰ এই তৃতীয়লানি বৈঠকে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ প্ৰসাৰ আৰু সুদৃঢ় কৰাৰ ক্ষেত্ৰত নতুন নতুন দিশ মুকলি কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ৰাজস্থানৰ দ'ছা জিলাত আজি নিচেই পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত বহুকেইজন লোকে প্ৰাণ হেৰুওৱাক লৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে সামাজিক মাধ্যমযোগে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এই দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰে। শ্ৰীমোদীয়ে নিহতসকলৰ নিকটাত্মীয়ক প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। দুৰ্ঘটনাত আহতসকলক ৫০ হাজাৰ টকাকৈ দিয়া হ'ব।

উল্লেখযোগ্য যে, আজি পুৱা সংঘটিত এই পথ দুৰ্ঘটনাত কমেও ১০ জন লোক নিহত হোৱাৰ লগতে আন ১১ জন আহত হয়। দ'ছা-মনোহৰপুৰ ঘাইপথত বাছড়ী চাৰিআলিৰ সমীপত এখন পিকআপ ভেন আৰু ট্ৰাকৰ মাজত হোৱা সংঘৰ্ষৰ ফলত এই অঘটনটো ঘটে। দুৰ্ঘটনাত হতাহত অধিকাংশ লোক উত্তৰ প্ৰদেশৰ **এতা** জিলাৰ আৰু  তেওঁলোকে ছিকৰ জিলাৰ খাটু শ্যাম মন্দিৰত পূজা আগবঢ়াই ঘৰলৈ উভতি আহিছিল। আহতসকলৰ ভিতৰত সংকটজনক অৱস্থাত থকা ৮জনক জয়পুৰৰ এছ্ এম এছ্ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়।

০০০০০

সমগ্ৰ দেশতে পৰহিলৈ ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হ'ব। ২০০ বছৰীয়া ঔপনিবেশিক শাসনক ওফৰাই কেইবাশ বীৰ-বীৰাংগনাৰ চৰম ত্যাগৰ বিনিময়ত ভাৰতে ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা লাভ কৰিছিল। জনসাধাৰণৰ মাজত দেশপ্ৰেমৰ ভাৱনাক উদ্বুদ্ধ কৰি স্বাধীনতাক উদযাপন কৰাৰ লগতে গৌৰৱেৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ অনুপ্ৰাণিত কৰাৰ লক্ষ্যৰে ৰাষ্ট্ৰজুৰি চলা হৰ ঘৰ তিৰংগা অভিযান দেশৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত আজি তেওঁৰ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। শ্ৰী শ্বাহে সামাজিক মাধ্যমযোগে কয় যে এই অভিযান ইতিমধ্যে গণ আন্দোলনত পৰিণত হৈছে আৰু দেশবাসীক একতাৰ ডোলেৰে বান্ধি  দেশপ্ৰেমৰ ভাৱনা জগাই তুলিছে।

অসমতো ত্ৰিৰংগ যাত্ৰা অব্যাহত আছে। ৰাজ্যখনত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি স্বাধীনতা সংগ্ৰামৰ বীৰ-বীৰাংগনালৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদনৰ উদ্দেশ্যে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ত্ৰিৰংগ সমলয় শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

নাগালেণ্ডত ভাৰতীয় জনতা যুৱ মৰ্চাই হৰ ঘৰ তিৰংগা যাত্ৰাৰ অংশ হিচাপেএটা বৃহৎ মটৰ চাইকেল সমদল উলিয়ায়। ডিমাপুৰত আজি প্ৰাক্তন বিধায়ক এইছু খেহৰিয়ে এই মটৰ চাইকেল সমদল মুকলি কৰে। ৩০০ৰো অধিক লোকে অংশগ্ৰহণ কৰা এই মটৰ চাইকেল সমদলটো নাগালেণ্ডৰ বিজেপিৰ ৰাজ্যিক সভাপতি বেঞ্জামিন য়েপথুমি আৰু ভাৰতীয় জনতা যুৱ মৰ্চাৰ নাগালেণ্ডৰ ৰাজ্যিক সভাপতি খেকাটো আবুমিয়ে নেতৃত্ব দিয়ে।

ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাত আজি হৰ ঘৰ তিৰংগা অভিযানৰ অংশ হিচাপে সংস্কৃতি মন্ত্ৰালয়ৰ অধীনত উত্তৰ-পূব আঞ্চলিক ললিত কলা একাডেমী কেন্দ্ৰই শোভাযাত্ৰা উলিয়ায়। ত্ৰিপুৰাকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ৪৫গৰাকী অখ্যাত স্বাধীনতা যুঁজাৰুৰ প্ৰতিমূৰ্তি লৈ এই শোভাযাত্ৰা উলিওৱা হয়।

০০০০০

জম্মু-কাশ্মীৰত ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ পূৰ্বে আজি পূৰ্ণাংগ অনুশীলন কৰা হয়। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি শ্ৰীনগৰৰ বক্সি ষ্টেডিয়াম আৰু জম্মুৰ মৌলানা আজাদ ষ্টেডিয়ামকে ধৰি আন কেইবাটাও স্থানত স্বাধীনতা দিৱসৰ কাৰ্যসূচী উদযাপন কৰা হ'ব। আৰক্ষী, অৰ্ধসামৰিক বাহিনী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ছাত্ৰ-ছাত্ৰীসকলে পেৰেডত অংশগ্ৰহণ কৰিব। স্বাধীনতা দিৱসৰ দিনটোত পেৰেডৰ লগতে সাংস্কৃতিক অনুষ্ঠানো পৰিবেশন কৰা হ'ব। স্বাধীনতা দিৱসৰ প্ৰাক্‌ক্ষণত কোনো যাতে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে জম্মু-কাশ্মীৰত কটকটীয়া নিৰাপত্তা বেষ্টনী গঢ়ি তোলা হৈছে। স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙৰ নেতৃত্বত আজি কাঠুৱাত ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়।

০০০০০

সমগ্ৰ দেশৰ ২৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ২১০ গৰাকী পঞ্চায়ত নেতাই অহা ১৫ আগষ্টত নতুন দিল্লীত হ'বলগীয়া স্বাধীনতা দিৱস উদযাপন অনুষ্ঠানত বিশেষ অতিথি হিচাপে উপস্থিত থাকিব। এই বছৰ বিশেষ অতিথি হিচাপে আমন্ত্ৰিতসকলৰ ভিতৰত উন্নত আন্তঃগাঁথনি, উন্নত ৰাজহুৱা সেৱা আৰু সৰ্বাত্মক সমুদায় উদ্যমৰ লেখীয়া সেৱাৰ চকুতলগা ধৰণৰ উন্নয়নৰ সূচনা কৰা ভালেসংখ্যক পঞ্চায়ত নেত্ৰী আছে। পঞ্চায়তীৰাজ মন্ত্ৰালয়ে কৈছে যে এই বিশেষ অতিথিসকলে হৰ ঘৰ জল যোজনা, প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীন আৰু মিছন ইন্দ্ৰধনুষৰ লেখীয়া ধৱবজাবাহী চৰকাৰী আঁচনিসমূহ বাস্তৱায়িত কৰাত বিশেষ সফলতা অৰ্জন কৰিছে। নতুন দিল্লীত কাইলৈ এই বিশেষ অতিথিসকলৰ বাবে আনুষ্ঠানিক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এই অনুষ্ঠানত কৃত্ৰিম বুদ্ধিমত্তা চালিত ছভাছাৰ এপ্লিকেচন মুকলি কৰা হ'ব। এই বছৰ এই অনুষ্ঠানৰ মূল বিষয়বস্তু হৈছে আত্মনিৰ্ভৰ পঞ্চায়ত, বিকশিত ভাৰতৰ পৰিচয়। এই বিষয়বস্তুৱে উন্নত ভাৰতৰ গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে আত্মনিৰ্ভৰ পঞ্চায়তৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰে।

০০০০০

যুৱ পৰিক্ৰমা মন্ত্ৰালয়ৰ মাই ভাৰত পদক্ষেপৰ অধীনত জ্ঞান বিনিময়, সামৰ্থ্য নিৰ্মাণ আৰু যুৱ নেতৃত্বৰ বিকাশত সহযোগিতা আগবঢ়োৱাৰ উদ্দেশ্যে স্কুল অব আল্টিমেট লীডাৰশ্বিপ ফাউণ্ডেশ্যনৰ সৈতে আজি

এখন বুজিবুজিৰ চুক্তি স্বাক্ষৰ কৰা হৈছে। অহা মাহৰ পৰা এই বুজাবুজিৰ চুক্তি কাৰ্যকৰী হ'ব। ইয়াৰ জৰিয়তে সমগ্ৰ দেশৰ ১৮ৰ পৰা ২৯ বছৰ বয়সৰ যুৱক-যুৱতীৰ মাজৰ পৰা ১ লাখ যুৱ নেতা সৃষ্টি কৰা হ'ব। এই যুৱ নেতাসকলক প্ৰশাসনৰ যুটীয়া কাৰ্যসূচী, ৰাজহুৱা নীতি, সামাজিক উদ্যমিতা, ডিজিটেল সাক্ষৰতা, বিত্তীয় সাক্ষৰতা আদিৰ জৰিয়তে নিৰ্বাচিত কৰা হ'ব। এই বুজাবুজি চুক্তিৰ অধীনতে নিৰ্বাচিত যুৱ নেতাসকলৰ দক্ষতা বিকাশৰ বাবে অনলাইন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

০০০০০

দিল্লীত আয়োজিত বিশেষ সাধাৰণ বৈঠকত ভাৰতীয় অলিম্পিক সন্থাই আজি কমনৱেল্থ গেমছ ২০৩০ৰ আয়োজনৰ বাবে ভাৰতৰ নিবিদাত আনুষ্ঠানিকভাৱে অনুমোদন জনাইছে। ভাৰতে এতিয়া ৩১ আগষ্টৰ সময়সীমাৰ পূৰ্বে অন্তিম নিবিদাৰ বাবে ইয়াৰ প্ৰস্তাৱ দাখিল কৰিব। ২০৩০ চনত কমনৱেল্থ গেমছৰ ২০ বছৰ সম্পূৰ্ণ হ'ব। ইয়াৰ পূৰ্বে ভাৰতত ২০১০ চনত প্ৰথম বাৰৰ বাবে কমনৱেল্থ গেমছ অনুষ্ঠিত কৰা হৈছিল।

০০০০০

সমাপ্ত